**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 12-03-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মৰিচাছৰ ৰাষ্ট্ৰীয় দিৱস উদযাপনৰ অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মৰিচাছক ভাৰত আৰু গোলকীয় দক্ষিণৰ মাজৰ এখন গুৰুত্বপূৰ্ণ সেঁতু বুলি অভিহিত কৰিছে।

৩। পাকিস্তানৰ বেলুচিস্তানত ৰে'ল আক্ৰমণ চলাই সশস্ত্ৰ সন্ত্ৰাসবাদীয়ে পণবন্দী কৰি ৰখা ৪৫০ জনৰো অধিক যাত্ৰীৰ মাজৰ অসামৰিক লোকসকলক মুকলি কৰি দিয়ে।

৪। ইউক্ৰেইনে ৩০ দিনৰ বাবে তাৎক্ষণিক আৰু অন্তৰৰ্তীকালীন যুদ্ধবিৰতিৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰস্তাৱত সন্মতি প্ৰকাশ কৰিছে।

আৰু

৫। মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ লীগ পৰ্যায়ৰ অন্তিমখন খেলত কালি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে মুম্বাই ইণ্ডিয়ানছক ১১ ৰাণত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মৰিচাছৰ ৰাষ্ট্ৰীয় দিৱস উদযাপনৰ অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব। শ্ৰীমোদীয়ে কালি মৰিচাছৰ প্ৰধানমন্ত্ৰী নবীচন্দ্ৰ ৰামগুলামৰ সৈতে ফলপ্ৰসূ আলোচনাত মিলিত হয়। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ দুদিনীয়া মৰিচাছ ভ্ৰমণৰ অংশ হিচাপে কালি পোৰ্ট লুইত দেশখনৰ প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে এখন বৈঠকত মিলিত হৈ ভাৰত আৰু মৰিচাছৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰাৰ বিভিন্ন বিষয়ত আলোচনা কৰে। দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজৰ সম্পৰ্কক এটা নতুন শিখৰলৈ লৈ যোৱাৰ বাবে দ্বিপাক্ষিক সম্পৰ্ক, দুয়োখন দেশৰ মাজৰ সম্প্ৰতি চলি থকা সহযোগিতাৰ পৰ্যালোচনা কৰাৰ লগতে নতুন নতুন ক্ষেত্ৰৰ অন্বেষণৰ সন্দৰ্ভত আলোচনা কৰে। বৈঠকত প্ৰতিৰক্ষা, সুৰক্ষা, অৰ্থনীতি আৰু সংস্কৃতিৰ আদান-প্ৰদান সন্দৰ্ভত মূলতঃ আলোচনা কৰা হয়। শ্ৰীমোদীয়ে কয় যে মৰিচাছৰ বিশ্বাসযোগ্য উন্নয়নৰ অংশীদাৰ হ'বলৈ পাই ভাৰতে গৌৰৱবোধ কৰে আৰু দুয়োখন দেশে গোলকীয় দক্ষিণৰ বিষয়সমূহৰ প্ৰসাৰৰ বাবে একেলগে কাম কৰি যাব। ইয়াৰ পাছত শ্ৰীমোদী প্ৰধানমন্ত্ৰী ৰামগুলামে আয়োজন কৰা নৈশভোজত অংশ লয়। তেওঁ কয় যে ভাৰত-মৰিচাছ অংশীদাৰিত্ব কেৱল ইয়াৰ ঐতিহাসিক সম্পৰ্কৰ মাজতে সীমাবদ্ধ হৈ থকা নাই। এই সম্পৰ্ক মূল্যবোধ, পাৰস্পৰিক বিশ্বাস আৰু এটা উজ্জ্বল ভৱিষ্যতৰ দিশত সমূহীয়া দৃষ্টিভংগীৰ ওপৰত আধাৰিত হৈ আছে। অনাগত সময়ত দুয়োখন দেশে জনসাধাৰণৰ উন্নয়ন তথা সমগ্ৰ খণ্ডৰ শান্তি আৰু নিৰাপত্তাৰ দিশত একেলগে কাম কৰি যাব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

দুদিনীয়া ভ্ৰমণসূচীৰে কালি পুৱা মৰিচাছলৈ যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দেশখনৰ প্ৰধানমন্ত্ৰী নৱীচন্দ্ৰ ৰামগুলামে বিমান বন্দৰত আদৰণি জনায়।

এই দুদিনীয়া ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীয়ে দেশখনত ভাৰতৰ পুঁজিৰে নিৰ্মাণ কৰা দক্ষতা বিকাশৰ পৰা আৰম্ভ কৰি আন্তঃগাঁথনিলৈকে বিভিন্ন খণ্ডৰ ২০টাৰো অধিক প্ৰকল্প মুকলি কৰিব। দুয়োখন দেশে যোগ্যতা বিকাশ, বাণিজ্য আৰু বিত্তীয় অপৰাধকে ধৰি বিভিন্ন ক্ষেত্ৰত কেইবাখনো সহযোগিতামূলক চুক্তিত স্বাক্ষৰ কৰাৰ আশা আছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মৰিচাছক ভাৰত আৰু গোলকীয় দক্ষিণৰ মাজৰ এখন গুৰুত্বপূৰ্ণ সেঁতু বুলি অভিহিত কৰিছে। পোৰ্ট লুইত যোৱা নিশা প্ৰৱাসী ভাৰতীয়সকলৰ সৈতে এটা মত-বিনিময় অনুষ্ঠানত ভাগ লৈ শ্ৰীমোদীয়ে কয় যে মৰিচাছ হৈছে ভাৰতৰ সাগৰ দৰ্শনৰ কেন্দ্ৰবিন্দু। ২০১৫ চনত দ্বীপ ৰাষ্ট্ৰখন ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে প্ৰথমবাৰৰ বাবে সাগৰ দৰ্শনৰ বিষয়ে ঘোষণা কৰিছিল। দুয়োখন দেশৰ মাজৰ গভীৰ সম্পৰ্কৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে দ্বীপ ৰাষ্ট্ৰখনত নতুন সংসদ ভৱন নিৰ্মাণকে ধৰি সৰ্বাংগীন বিকাশত সমৰ্থন আগবঢ়োৱাৰ নিশ্চয়তা প্ৰদান কৰে। প্ৰবাসী ভাৰতীয়সকলৰ ভাৰতৰ ঐতিহ্য, সংস্কৃতি আৰু প্ৰমূল্যৰ সৈতে থকা শক্তিশালী বান্ধোন সঁচাকৈয়ে প্ৰেৰণাদায়ক বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ এই ঐতিহাসিক আৰু আত্মিক বান্ধোন উত্তৰ প্ৰজন্মলৈ সঞ্চাৰিত হৈ থাকিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত দেশখনৰ প্ৰধানমন্ত্ৰী নবীচন্দ্ৰ ৰামগুলাম, তেওঁৰ পত্নী আৰু অন্যান্য কেবিনেট মন্ত্ৰীসকল উপস্থিত থাকে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীক মৰিচাছবাসী ভাৰতীয়সকলে গীত, নৃত্য আৰু অন্যান্য সাংস্কৃতিক পৰিবেশনেৰে তেওঁ থকা হোটেলৰ সন্মুখত আদৰণি জনায়।

০০০০০

ইউক্ৰেইনে ৩০ দিনৰ বাবে তাৎক্ষণিক আৰু অন্তৰৰ্তীকালীন যুদ্ধবিৰতিৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰস্তাৱত সন্মতি প্ৰকাশ কৰিছে আৰু এতিয়া ৰাছিয়াই এই ক্ষেত্ৰত নিজৰ স্থিতি প্ৰকাশ কৰিব। আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰদেশ সচিব মাৰ্কো ৰুবিঅ'ই সংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি কয় যে আমেৰিকা যুক্তৰাষ্ট্ৰই ইউক্ৰেইনলৈ চোৰাংচোৱাৰ তথ্য আৰু সামৰিক সাহায্য বন্ধ কৰাৰ বিষয়টোও উঠাই লৈছে। কালি চৌদি আৰবৰ জেদ্দাত ইউক্ৰেইনৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হোৱাৰ পাছত শ্ৰীৰুবিঅ'ই এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে যুক্তৰাষ্ট্ৰই এই বিষয়ত ৰাছিয়াৰ সৈতে যোগাযোগ কৰিব। ৰাছিয়াৰ সহযোগিতামূলক স্থিতিয়েহে দেশ দুখনৰ মাজত শান্তি স্থাপনত মুখ্য ভূমিকা পালন কৰিব বুলি সচিবগৰাকীয়ে মত প্ৰকাশ কৰে।

০০০০০

উত্তৰ পূৰ্বাঞ্চলৰ শিক্ষাৰ্থীসকলে এতিয়া আৰু কামৰ বাবে অঞ্চলটো ত্যাগ কৰাৰ আৱশ্যকতা নাই আৰু তেওঁলোকে অঞ্চলটোতেই কৰ্ম সংস্থাপনৰ সুযোগ লাভ কৰিব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে প্ৰকাশ কৰিছে। Students' Experience in Inter-State Living নামৰ কাৰ্যসূচীৰ অধীনত কালি নতুন দিল্লীত আয়োজিত যুৱ সংসদত উত্তৰ-পূৰ্বাঞ্চলৰ শিক্ষাৰ্থীসকলক উদ্দেশি ভাষণ দি শ্ৰী শ্বাহে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ২০২৭ চনৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ ৰাজধানী চহৰসমূহক ৰে'ল, বিমান আৰু পথ যোগাযোগ ব্যৱস্থাৰে সংযুক্ত কৰা হ'ব। তেওঁ কয়, যে ব্ৰহ্মপুত্ৰৰ ওপৰত দেশৰ

ভিতৰত সৰ্বাধিক ৰে’ল তথা পথ দলং নিৰ্মাণ কৰি থকা হৈছে। অসম আৰু ভূটানৰ মাজত ৰে’লপথ নিৰ্মাণৰ কামো আৰম্ভ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

চৰকাৰে উজলা আঁচনিৰ অধীনত বৰ্তমানলৈকে সমগ্ৰ দেশত প্ৰায় ৩৭ কোটি এল ই ডি বাল্ব বিতৰণ কৰিছে। ৰাজ্যসভাত এটা লিখিত উত্তৰত কেন্দ্ৰীয় শক্তি মন্ত্ৰী মনোহৰ লালে আজি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই আঁচনিৰ ৰূপায়ণৰ ফলত প্ৰতি ঘণ্টাত প্ৰায় ৪ হাজাৰ ৮০০ কোটি কিলোৱাট শক্তি ৰাহি হৈছে। তেওঁ কয়, যে এল ই ডি বাল্বসমূহৰ নগন্য পৰিমাণৰ ক্ষতিকাৰক পদাৰ্থ থাকে আৰু সেয়েহে ইয়াৰ পৰা প্ৰদূষণৰ সম্ভাৱনা কম।

০০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ লীগ পৰ্যায়ৰ অন্তিমখন খেলত কালি ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে মুম্বাই ইণ্ডিয়ানছক ১১ ৰাণত পৰাস্ত কৰে। মুম্বাইয়ে টছত জিকি ৰয়েল ছেলেঞ্জাৰ্ছক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়। মুম্বাইৰ ব্ৰেবৰ্ণ ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে  নিৰ্ধাৰিত ২০ অভাৰত তিনিটা উইকেটৰ বিনিময়ত ১৯৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত মুম্বাইয়ে ২০০ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৮৮ ৰাণহে কৰিবলৈ সমৰ্থ হয়।

০০০০০

নতুন দিল্লীত অনুষ্ঠিত বিশ্ব পেৰা গ্ৰাঁ পী এথলেটিকছ্ প্ৰতিযোগিতাৰ আৰম্ভণিৰ দিনটোতে কালি ভাৰতে পুৰুষৰ ডিচকাচ থ্ৰ’ৰ F11 শিতানৰ আটাইকেইটা পদক জয় কৰে। সাগৰে ৩৪ দশমিক ৮-৪ মিটাৰ ডিচকাচ থ্ৰ’ কৰি সোণৰ পদক অৰ্জন কৰাৰ লগতে বালাজী ৰাজেন্দ্ৰনে ২৬ দশমিক ৯-৮ মিটাৰেৰে ৰূপৰ আৰু জনক সিং হাৰ্চানাই ২৫ দশমিক ১-৩ মিটাৰেৰে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। মহিলাৰ ১০০ মিটাৰৰ T35, T36, T38  আৰু T44 শাখাত অষ্ট্ৰেলিয়াৰ ৰিয়ানন ক্লাৰ্কে ১৩ দশমিক ১-৪ ছেকেণ্ডেৰে প্ৰথম স্থান লাভ কৰে। ভাৰতৰ প্ৰীতি পলে দ্বিতীয় আৰু জাৰ্মানীৰ নিকোলে তৃতীয় স্থান লাভ কৰে।

উল্লেখযোগ্য যে তিনিদিনীয়াকৈ আয়োজিত এই প্ৰতিযোগিতাত বিশ্বৰ ২০খন দেশৰ মুঠ ২৫০গৰাকী এথলীটে অংশগ্ৰহণ কৰিছে। ইয়াৰে ১৪৫গৰাকী ভাৰতীয় খেলুৱৈ। খেলুৱৈসকলে ৯০বিধ খেলত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ভাৰতে প্ৰথমবাৰৰ বাবে এইবাৰ এনে বৃহৎ পেৰা এথলেটিকছ্ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ২০২৪ বৰ্ষত পেৰিচ পেৰা অলিম্পিকত স্বৰ্ণ পদক বিজয়ী প্ৰবীণ কুমাৰ, নৱদ্বীপ সিং আৰু ধৰমবীৰ কৌৰে ভাৰতীয় দলক নেতৃত্ব দিছে।

০০০০০

গুলমাৰ্গৰ বাৰামুল্লাত অনুষ্ঠিত চলিত বৰ্ষৰ খেল’ ইণ্ডিয়া শীতকালীন ক্ৰীড়া প্ৰতিযোগিতাৰ দ্বিতীয় পৰ্যায়ৰ খেলসমূহৰ আজি সামৰণি পৰিব। যোৱা ২৩ৰ পৰা ২৭ জানুৱাৰীলৈ লাডাখত এই প্ৰতিযোগিতাৰ প্ৰথম পৰ্যায়ৰ খেলসমূহ সফলতাৰে অনুষ্ঠিত হৈ যায়।

০০০০০

সমাপ্ত